# খোতবা জুমা

**ছৈয়্যেদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ২৫ মেত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে ছুৰা নুৰৰ ৫৬ আৰু ৫৭ নম্বৰ আয়াত পাঠ কৰে, যেনে

فرمایا: وَعَدَ اللّٰہُ الَّذِیۡنَ اٰمَنُوۡا مِنۡکُمۡ وَعَمِلُوا الصّٰلِحٰتِ لَیَسۡتَخۡلِفَنَّہُمۡ فِی الۡاَرۡضِ کَمَا اسۡتَخۡلَفَ الَّذِیۡنَ مِنۡ قَبۡلِہِمۡ ۪ وَلَیُمَکِّنَنَّ لَہُمۡ دِیۡنَہُمُ الَّذِی ارۡتَضٰی لَہُمۡ وَلَیُبَدِّلَنَّہُمۡ مِّنۡۢ بَعۡدِ خَوۡفِہِمۡ اَمۡنًا ؕ یَعۡبُدُوۡنَنِیۡ لَا یُشۡرِکُوۡنَ بِیۡ شَیۡئًا ؕ وَمَنۡ کَفَرَ بَعۡدَ ذٰلِکَ فَاُولٰٓئِکَ ہُمُ الۡفٰسِقُوۡنَ ○ وَاَقِیۡمُوا الصَّلٰوۃَ وَاٰتُوا الزَّکٰوۃَ وَاَطِیۡعُوا الرَّسُوۡلَ لَعَلَّکُمۡ تُرۡحَمُوۡنَ ○

তৰজমা ঃ- তোমালোকৰ মাজত যি সকলে (আল্লাহত) বিশ্বাস স্থাপন কৰিছে আৰু সজ কাম (নেক আমল) কৰে, তেওঁলোকক আল্লাহ তায়লায় এই প্ৰতিশ্ৰুতি প্ৰদান কৰিছে যে নিশ্চয় তেওঁলোকৰ মাজত পৃথিৱীত খলিফা নিৰ্বাচিত কৰিব যেনেকৈ তেওঁলোকৰ পূৰ্ববৰ্ত্তী সকলৰ মাজত খলিফা বনাইছিল, আৰু তেওঁলোকৰ কাৰণে তেওঁ যি ধৰ্ম পছন্দ কৰিছে, সেয়া নিশ্চয় তেওঁলোকৰ বাবে সুপ্ৰতিষ্ঠিত কৰিব, আৰু তেওঁলোকৰ ভয় ভীতিৰ পিছত নিশ্চয় তেওঁলোকক অভয় আৰু শান্তি প্ৰদান কৰিব, তেওঁলোকে একমাত্ৰ মোৰেই উপাসনা কৰিব, মোৰ সৈতে একোকে অংশী নাপাতিব, আৰু যিসকলে ইয়াৰ পিছতো অকৃতজ্ঞ হ'ব, সেই লোক সকলেই হ'ব অবাধ্য (বিদ্ৰোহী) এতেকে তোমালোকে নমাজ প্ৰতিষ্ঠা কৰা আৰু জাকাত দান কৰা আৰু ৰছুলৰ আনুগত্য স্বীকাৰ কৰা, অতিসম্ভৱ তোমালোকলৈ (আল্লাহৰ) কৰুণা বৰ্ষণ হ'ব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে উক্ত আয়াতত আল্লাহ তায়লাৰ এটা প্ৰতিশ্ৰুতি সম্পৰ্কে বৰ্ণনা কৰা হৈছে যে আল্লাহ তায়লা তোমালোকক পুৰুস্কৃত কৰিব আৰু সেয়া হ'ল খিলাফতৰ পুৰুস্কাৰ যাৰ ফল স্বৰূপে তোমালোক সম্পূৰ্ণতা লাভ কৰিবা আৰু ভয় ভীতি এৰাই যোৱাৰ পিছত শান্তিৰ পৰিস্থিতি লাভ কৰিবা। গতিকে এয়া হ'ল প্ৰদত্ত প্ৰতিশ্ৰুতি, ভৱিষ্যতবাণী নহয় যে আল্লাহ তায়লা দিব। আল্লাহ তায়লা এয়া কোৱা নাই যে হয় এয়া দিম যি সকলে চৰ্ত পূৰণ কৰিব। সেই চৰ্তবোৰ আচলতে কি ? এই বিষয়ে আল্লাহ তায়লা কৈছে যে তেওঁলোকে মোৰ উপাসনা কৰোঁতা হ'ব। যদি উপাসনা কৰোঁতা নহয় আৰু যদি অংশীবাদিতা কৰা ত্যাগ নকৰে তেন্তে তেওঁলোকে এই প্ৰতিশ্ৰুতিৰ পৰা একো ফলাফল লাভ কৰিব নোৱাৰে। কোৰাণ কৰিমৰ পৰা আমি জানিব পাৰো যে শেষ যুগত খিলাফত আলা মিনহাজি নবুয়ত প্ৰতিষ্ঠিত হ'ব। হদীছ স্বৰীফৰ পৰাও আমি জানিব পাৰো যে খিলাফত আলা মিনহাজি নবুয়ত প্ৰতিষ্ঠিত হ'ব আৰু এয়া হ'ব চিৰস্থায়ী। আমাক হজৰত মছীহ মাওউদ (আঃ) য়ে বিতং বৰ্ণনা কৰি দিছে যে মোৰ পিছত খিলাফত প্ৰতিষ্ঠা হ'ব আৰু সেয়া সদায় থাকিব কিন্তু ইয়াৰ লগত আল্লাহ তায়লা উক্ত আয়াতত মুছলমান সকলক এয়াও বুজাই দিছে যে খিলাফতৰ কল্যাণ লাভ কৰিবলৈ হলে, নিজৰ অৱস্থাৰ পৰিবৰ্ত্তন সাধন কৰিব লাগিব। কেৱল নিজকে মুছলমান বুলি কলে আৰু কেৱল দেখুৱা ঈমান প্ৰকাশ কৰিলেই খিলাফতৰ অধিকাৰী হ'ব পৰা নাযায়। সেয়ে আল্লাহ তায়লা মুছলমান সকলক এয়া উপদেশ দিছে ইবাদতৰ হক আদায় কৰিবলৈ আৰু অংশীবাদিতাৰ পৰা ৰক্ষা পৰিবলৈ নমাজ প্ৰতিষ্ঠা কৰা আৰু জাকাত প্ৰদান কৰা আৰু ৰছুলৰ আনুগত্য কৰা তেতিয়াহে তুমি আল্লাহৰ কৰুণা লাভ কৰিব পাৰিবা। ৰছুলৰ আনুগত্য সম্পৰ্কে এয়া মনত ৰখা উচিত, যে আঁহজৰত (ছাঃ) য়ে আমাক নিৰ্দেশ দিছে যে যিজনে মোৰ নিযুক্ত আমিৰৰ আনুগত্য কৰিছে তেওঁ মোৰ আনুগত্য কৰিছে, যিজনে মোৰ নিযুক্ত আমিৰৰ অবাধ্য হয় তেওঁ মোৰ অবাধ্য হয়। নিজামে খিলাফতত আঁহজৰত (ছাঃ) য়ে নিযুক্তি দিয়া আমিৰ দৰাচলতে সেইজন আমিৰেই খলিফা হয়। ইয়াতে সেই

খিলাফতক বুজুৱা হৈছে যি মিনহাজি নবুয়তৰ ওপৰত প্ৰতিষ্ঠিত হয়। এই প্ৰকৃতিৰ খিলাফত বৰ্তমানে কেৱল জমাত আহমদীয়াৰ মাজত বৰ্তি আছে।

কিছুমান উলামা আৰু জ্ঞানীলোক সকলে মন্তব্য কৰে যে নিজামে খিলাফত প্ৰতিষ্ঠিত হোৱা প্ৰয়োজন। কিন্তু যেতিয়া কোৱা হয় যে নিজাম প্ৰতিষ্ঠিত হৈছে, ইয়াক মানি লোৱা তেতিয়া মানিলবলৈ প্ৰস্তুত নহয়। বৰং ইয়াৰ বিৰুধীতা কৰিবলৈ আৰম্ভ কৰে। এনে ধৰণৰ বিৰুধীতাৰ ঘটনা এটা দুইদিন মান আগত আমাৰ শিয়ালকুটৰ মছজিদত ঘটিছে। মছজিদৰ কাষতে এখন ঘৰ আছে তাতে পুলিচ আৰু আমাৰ পৰিচালক বৃন্দৰ মাজত হোৱা বিতৰ্কত মৌলবী আৰু কেইজনমান সমাজকৰ্মীৰ লোকে আক্ৰমন চলাই ভাঙ-চুৰ আৰম্ভ কৰে আৰু ঘোষণা কৰে যে আমি মছজিদ ভাঙি পেলাম। যেতিয়ালৈকে এওঁলোকে আঁহজৰত (ছাঃ) ৰ ভৱিষ্যত বাণী অনুযায়ী প্ৰতিষ্ঠিত হোৱা খিলাফত মানি নলব, এনেকুৱা আচৰণেই কৰি থাকিব আৰু তেওঁলোকৰ পৰা কোনো ধৰণৰ ভাল কামনা কৰিব নোৱাৰি। আমাৰ ইমান খিনিয়ে আক্ষেপ যে তেওঁলোকে হজৰত মছিহ মাওউদ (আঃ) ৰ যুগৰ এটা স্মিৃতি চিহ্নৰ ক্ষতি সাধন কৰিলে। চৰকাৰে সিহঁতক আটক কৰিছে যদিও আমাৰ উত্তৰ হ'ল যে إِنَّمَا أَشْكُو بَثِّي وَحُزْنِي إِلَى اللَّهِ আমি আমাৰ দুখ, বেদনা আৰু আবেদন আল্লাহ তায়লাৰ ওচৰত দাখিল কৰিছো। নিশ্চয় ইখিনিতেই আমাৰ হৃদয়বেদনাৰ সম্পৰ্ক কিন্তু হজৰত মছিহ মাওউদ (আঃ) ৰ সৈতে সৰ্বোচ্চ সম্পৰ্কৰ প্ৰকাশ কেৱল কৃৰ্তি চিহ্ন সমূহ ৰক্ষা কৰাই নহয় বৰং তেখেত (আঃ) ৰ শিক্ষাৰ ওপৰত আমল কৰিলেহে আৰু তেখেতৰ পিছত নিজামে খিলাফতৰ সৈতে সংলগ্ন থাকিলেহে হ'ব। এই বস্তুবোৰ অৰ্জন কৰিলেহে আল্লাহ তায়লা কৈছে যে খিলাফতৰ পুৰুস্কাৰ লাভ কৰিব পাৰিব। লগতে ইবাদতৰ মান উন্নত কৰিব লাগিব আৰু আল্লাহ তায়লাৰ আদেশ পালন কৰিব লাগিব। সেয়ে আমি আমাৰ আনুগত্যৰ মান উন্নত কৰাৰ চেষ্টা কৰা উচিত। হজৰত মছিহ মাওউদ (আঃ) ক কোনোবাই প্ৰশ্ন কৰিছিল যে খলিফা অহাৰ উদ্দেশ্য কি ? তেখেত (আঃ) য়ে উত্তৰ দিছিল যে সেয়া আমাৰ সন্মুখত থকা উচিত। হজৰত আকদছ মছিহ মাওউদ (আঃ) য়ে কৈছে **সংশোধন** অৰ্থাৎ আল্লাহ তায়লাৰ চুন্নত এয়া চলি আহিছে যে এটা যুগ পাৰ হৈ গলে যেতিয়া নবী প্ৰদত্ত শিক্ষা লোকে পাহৰি সজ বাট, ঈমান আৰু আধ্যাত্মিকতাৰ পৰিচয় হেৰাই পেলায় আৰু পৃথিৱীত অন্ধকাৰে আৱৰি ধৰে লগতে চাৰিও ফালে ঠগ, প্ৰৱঞ্চনা, উৎপীড়নৰ ভয়ানক প্ৰতিফলন দেখা দিয়ে তেতিয়া আল্লাহ তায়লাৰ সেই গুণাৱলীয়ে উঁকি মাৰে আৰু এজন মহাপুৰুষৰ জৰিয়তে নতুনকৈ পৃথিৱীত খোদা তায়লাৰ ভেদ ৰচনা কৰি হাজাৰও প্ৰমাণ চিহ্নৰ জৰিয়তে তাৰ সত্তাৰ পৰিচয় দিয়ে। সেয়ে দেখা যায় যে মুছলমানৰও ঈমান হেৰাই গৈছে, তাকউয়া হেৰাই গৈছে লগতে অমুছলিম সকলৰও এয়া হেৰাই গৈছে। গতিকে আল্লাহ তায়লা এই যুগত আঁহজৰত (ছাঃ) ৰ ভৱিষ্যতবাণী অনুযায়ী খাতামুল খোলফাক প্ৰেৰণ কৰিছে। তেখেত (আঃ) য়ে কৈছে যে এই চুন্নতে কদিমা অনুসৰি আমাৰ এই ছিলছিলা প্ৰতিষ্ঠিত হৈছে যাতে খোদা তায়লাৰ সত্তাৰ স্পষ্ট প্ৰমাণ আগবঢ়াব পৰা যায় আৰু দ্বিতীয়বাৰ তৌহিদ প্ৰতিষ্ঠা কৰিব পৰা যায় আৰু পৱিত্ৰ চৰিত্ৰৰ নতুন আৰম্ভনী হয়। আমি দেখিবলৈ পাইছো যে মুছলমান সকলৰ মাজত বেছিভাগেই আমলৰ ক্ষেত্ৰত দুৰ্বল। কবৰ পূজা, অংশীবাদিতা, বিদাত আদিত লিপ্ত হৈ পৰিছে। ঠগ প্ৰৱঞ্চনা সাধাৰণ হৈ পৰিছে। কিন্তু হজৰত মছিহ মাওউদ (আঃ) ৰ পংক্তিত উল্লেখ আছে যেনেকৈ আগতে উল্লেখ কৰিছো যে আমি সদায় সতৰ্কতা অৱলম্বন কৰিব লাগিব সেই চুন্নতে কদিমা অনুযায়ী আমাৰ এই ছিলছিলা প্ৰতিষ্ঠিত হৈছে। যেতিয়া পৃথিৱীত চাৰিওফালেৰে ঠগ-প্ৰৱঞ্চনা, দন্ধ বিবাদ সিচৰিত হৈ পৰে আৰু পৱিত্ৰ চৰিত্ৰৰ অৱসান ঘটে তেতিয়া আল্লাহ তায়লা নিজৰ ভালপোৱা জনক প্ৰেৰণ কৰে আৰু নতুনকৈ দ্বীনৰ আকৌ সুচনা ঘটায়। গতিকে যদি আমি হজৰত মছিহ মাওউদ (আঃ) ক মানিলৈ নিজৰ মাজত কোনো পৰিৱৰ্ত্তন সাধন কৰা নাই তেন্তে বহুত চিন্তাৰ বিষয়। আমি সদায় নিজকে নিজে গমি চোৱা উচিত যে আল্লাহ তায়লা খিলাফতৰ পুৰুস্কাৰ লাভাৰ্থে যিবোৰ কথা আৰু কাম কৰিবলৈ নিৰ্দেশ দিছে, সেইবোৰ আমি কৰিবলৈ চেষ্টা কৰিছো নে নাই ? আমি দেখা উচিত যে আমাৰ ইবাদতৰ অৱস্থা কেনেকুৱা, আমাৰ নমাজ পঢ়াৰ কি অৱস্থা, আমাৰ প্ৰত্যেক কথা আৰু কাৰ্য্য শিৰিক মুক্ত হয়নে নহয়, আমাৰ ধনমাল উচ্চৰ্গা কৰাৰ মানদণ্ড কেনেকুৱা, আমাৰ আনুগত্যৰ মান কোন পৰ্যায়ৰ চলি আছে ? আল্লাহ আৰু তাৰ ৰছুলে বিচৰা মতে আমি সেই পৰ্যায়ত মান অৰ্জন কৰোতা হওঁনে নহওঁ ?

আকৌ এই যুগত হজৰত মছিহ মাওউদ (আঃ) য়ে নিজৰ মান্যকাৰী সকলক যিটো পৰ্যায়ত থকাটো দেখিব বিচাৰিছে, আমি সেই পৰ্যায়লৈকে যাবলৈ চেষ্টা কৰিছো নে নাই? ইবাদত আৰু নমাজৰ গুৰুত্ব সম্পৰ্কে আঁহজৰত (ছাঃ) য়ে কৈছে যে কিয়ামতৰ দিনা সৰ্বপ্ৰথম বান্দাৰ পৰা নমাজৰ হিচাপ লোৱা হ'ব। যদি এই হিচাপ ঠিক থাকে তেন্তে সেইজন কৃতকাৰ্য্যতা লাভ কৰিব আৰু মুক্তি লাভ কৰিব আৰু যদি এই হিচাপ বেয়াৰ ফালে যায় তেন্তে তেওঁ অকৃতকাৰ্য্য হ'ব আৰু লোকচান ভৰিব লাগিব।

হজৰত জাবেৰ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে মই আঁহজৰত (ছাঃ) ৰ পৰা শুনিছো যে, নমাজ এৰিলে মানুহে শিৰিক আৰু কুফৰৰ কাষ চাপেগৈ। গতিকে এয়া বৰ ভয়ৰ কাৰণ। শিৰিক এনেকুৱা এটা গোনাহ যি আল্লাহ তায়লা চৰম অপছন্দ কৰে। শিৰিকি গোনাহ আল্লাহ তায়লা ক্ষমা নকৰে। তেন্তে আমি এনেকুৱা গোনাহত লিপ্ত হৈ আল্লাহ তায়লাৰ পুৰুস্কাৰ খিলাফতৰ কল্যাণ কেনেকৈ লাভ কৰিব পাৰিম। কেতিয়াও নোৱাৰি। নমাজ কেনেকুৱা হোৱা উচিত, ইয়াৰ গুঢ়াৰ্থ আৰু মানদণ্ড কি, এই বিষয়ে বৰ্ণাবলৈ গৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে কিছুমান লোকে মছজিদত যায়, নমাজ পঢ়ে আৰু ইছলামৰ অন্যান্ন ভেটি সমূহও পালন কৰে কিন্তু খোদা তায়লাৰ দয়া আৰু কৃপা সিহঁতৰ ওপৰত বৰ্ষণ নহয় লগতে তেওঁলোকৰ চৰিত্ৰত কোনো সাল সলনি দেখিবলৈ পোৱা নাযায়। কাৰণ ইলাহি আদেশ পালন কৰাটো এটা বীজ বপন কৰাৰ দৰে, যাৰ প্ৰভাৱ আত্মা আৰু জীৱণ দুয়োটাৰ ওপৰত পৰে। যিজনে নিজৰ খেতি ভালদৰে চহাই লৈ বীজ বপন কৰে, যদি সেই বীজ মাহৰ ভিতৰত গজালি নেমেলে তেন্তে মানিব লাগিব যে বীজ বেয়া আছে। হুযুৰ আনোৱাৰ (আঃ) য়ে কয় যে গতিকে এয়া মনত ৰাখিবলগীয়া বিষয় যে নিজৰ ইবাদত চৰিত্ৰ আৰু একাগ্ৰতাৰ মান উন্নত কৰাৰ জৰিয়তে আল্লাহ তায়লাক চিনি পাব লাগিব।

হজৰত মছিহ মাওউদ (আঃ) য়ে নমাজৰ গুঢ়াৰ্থ বৰ্ণাবলৈ গৈ কৈছে যে, নমাজ কি বস্তু? এয়া হ'ল দোৱা। যি তছবিহ, তহমিদ, তকদ্দিছ আৰু ইস্তেগফাৰ, দৰূদৰ সৈতে কাকুতি মিনতি কৰা হয়। যেতিয়া তুমি নমাজ পঢ়িবা তেতিয়া কোৰাণ কৰিম আৰু দোৱা মাছুৰাৰ বাদে বাকী সকলো গুৰুত্বপূৰ্ণ দোৱা সমুহ নিজৰ ভাষাৰে কৰুণ মিনতিৰ সৈতে কান্দি কান্দি আদায় কৰা যাতে তোমাৰ হৃদয় কোণত এই কাকুতি মিনতিৰ অলপ ক্ৰিয়া পৰিলক্ষিত হয়। আকৌ তেখেত (আঃ) য়ে কৈছে যে নমাজ এনেকুৱা এটা বস্তু যাৰ জৰিয়তে আচমান মানুহলৈ হাউলি আহে। নমাজৰ হ'ক আদায় কৰোঁতা জনে এয়া ধাৰণা কৰে যে মই মৰি গৈছো আৰু তাৰ আত্মা উদাসহৈ গৈ খোদা তায়লাৰ সমীপত গৈ লুটি খাই পৰে। যিখন ঘৰত এনেকুৱা বিধৰ নমাজ অনুষ্ঠিত হ'ব সেইখন ঘৰ কেতিয়াও ধংস হ'ব নোৱাৰে।

আকৌ আল্লাহ তায়লা কৈছে যে শিৰিকৰ পৰা আঁতৰি থকা। এই বিষয় উল্লেখ আছে যে, আঁহজৰত (ছাঃ) য়ে নিজৰ উম্মতৰ মাজত শিৰিক উদ্ভৱৰ ভয় আছিল। খোদা তায়লা কোৰাণ কৰিমত উল্লেখ কৰিছে যে, وَيَغْفِرُ مَا دُوْنَ ذٰلِكَ অৰ্থাৎ প্ৰত্যেক গোনাহৰ ক্ষমা হ'ব, কিন্তু শিৰিক খোদা তায়লায় ক্ষমা নকৰে। গতিকে শিৰিকৰ ওচৰলৈ নাযাবা আৰু তাক এটা নিষিদ্ধ গছ বুলি ভাৱিবা। উল্লেখ কৰে যে তৌহিদ কেৱল সেই বিষয়টোৰ নাম নহয় যে মুখেৰে লা ইলাহা ইল্লাল্লাহ কয় আৰু হৃদয়ত হাজাৰটা ভূত জমা হৈ থাকে বৰং যিজনে নিজৰ কোনো কাম, উপায়, অৱলম্বনক খোদা তায়লাৰ সমানে স্থান আৰু গুৰুত্ব দিয়ে অথবা কোনো মানুহৰ ওপৰত ভৰষা কৰে, যিটো খোদা তায়লাৰ ওপৰত কৰা উচিত নাইবা নিজৰ প্ৰাণক সেই মহত্ব প্ৰদান কৰে যি আচলতে খোদা তায়লাক দিয়া উচিত, এই সকলো বিলাক অৱস্থাত লিপ্তজন খোদা তায়লাৰ ওচৰত মূৰ্ত্তী পূজাৰী।

আকৌ খিলাফতৰ পুৰুস্কাৰ লাভ কৰোঁতা সকলৰ বাবে জাকাত আৰু মাল কোৰবাণী কৰাটো বাধ্যতামুলক কৰা হৈছে। হদীছত উল্লেখ আছে যে হজৰত ইবনে মাছুদ (ৰাঃ) বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ) য়ে কৈছে যে দুই ধৰণৰ ব্যাক্তিৰ বাদে কাকো ঈৰ্ষা কৰা উচিত নহয়। ইয়াৰে এজন হ'ল সেইজন যাক আল্লাহ তায়লা ধনমাল দিছে আৰু সেয়া তেওঁ সত্যৰ বাটত খৰচ কৰিছে। আন এজন হ'ল সেই জন যাক আল্লাহ তায়লা বিবেক বুদ্ধি জ্ঞান, বিদ্যা (প্ৰজ্ঞা) দান কৰিছে যাৰ জৰিয়তে তেওঁ লোকক শিক্ষা দিয়ে আৰু ন্যায় সিদ্ধান্ত প্ৰদান কৰে।

হজৰত মছিহ মাওউদ (আঃ) য়ে নমাজৰ হক আৰু জাকাত আদায় কৰা সম্পৰ্কে কৈছে যে লোকে নিজৰ নমাজত

আকুতিৰে মিনতি কৰে তাৰ ফলাফল এয়া ওলায় গৈ যে তেওঁ বেয়াক পৰিত্যাগ কৰে আৰু এই পঙ্কিল জগতৰ পৰা মুক্তি লাভ কৰে আৰু জাগতিক মোহলোপ পাই, খোদা তায়লাৰ ভালপোৱা তাৰ হৃদয়ত জন্ম লয় তেতিয়া ফল ওলায় গৈ এয়া যে هُمْ لِلزَّكٰوةِ فٰعِلُوْنَ অৰ্থাৎ আকৌ তেওঁ খোদা তায়লাৰ বাটত খৰচ কৰিব ধৰে। গতিকে নমাজে পঙ্কিলতা পৰিত্যাগৰ ফালে আগ্ৰহৰ জন্ম দিয়ে আৰু পঙ্কিলতা পৰিত্যাগে মানুহক আল্লাহ্ তায়লাৰ নিৰ্দেশ পালনৰ ফালে আকৰ্ষিত কৰি টানি লৈ যায়। আকৌ ইফালেও মনত পেলাই দিয়ে যে নিজৰ ধন মাল নাজায়েজ ভাৱে অপচয় কৰাৰ সলনি আল্লাহ্ তায়লাৰ বাটত খৰচ কৰো। তেখেত (আঃ) য়ে এই ফলাফলও আঙুলিয়াই দিছে যে আল্লাহ্ তায়লাৰ পথত ধনমাল খৰচ কৰায় মানুহক বহুতো বেয়া আৰু গোনাহৰ পৰা ৰক্ষা কৰে। আকৌ আল্লাহ্ তায়লা খিলাফতৰ পুৰুস্কাৰ প্ৰাপ্ত সকলক নচিহত কৰিছে যে তেওঁলোকে যেন আনুগত্যৰ মান উন্নত কৰে। এখন হদীছত উল্লেখ আছে যিটো হজৰত ইবাদাহ (ৰাঃ) ৰ পৰা বৰ্ণিত আছে, কৈছে যে আমি ৰছুলে কৰিম (ছাঃ) ৰ বয়াত এই উদ্দেশ্য মনত লৈ কৰিছিলো যে শুনিম আৰু আনুগত্য কৰিম। হয়তো সেয়া আমাৰ পছন্দ হওঁক বা নহওঁক, আৰু আমি যতেই নাথাকো কিয় কোনো বিষয়ৰ অধিকাৰ সম্পৰ্কে বিবাদ নকৰো, সদায় ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত থাকিম আৰু ন্যায় কথা কম, আৰু আল্লাহৰ বিষয়ে কোনো বিদ্ৰোহত ভয় নকৰো।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে আল্লাহ আৰু তাৰ ৰছুল আৰু দেশৰ আনুগত্য ধাৰণ কৰা। আনুগত্য এনে এটা বস্তু যদি প্ৰকৃত হৃদয়েৰে মানি লোৱা হয় তেন্তে হৃদয়ত এটা আলোক আৰু আত্মাত এটা তৃপ্তি আৰু পোহৰ অনুভুত হয়। জিহাদীৰ সিমান প্ৰয়োজন নাই, যিমান প্ৰয়োজন আনুগত্যৰ আছে। কিন্তু চৰ্ত হ'ল যে সত্য আনুগত্য হে আনুগত্য হয় আৰু এয়া বৰ জটিল বিষয়। উল্লেখ কৰে যে তোমালোকে যি মছিহ্ মাওউদৰ জমাত বুলি কৈ চাহাবা সকলৰ জমাতৰ সৈতে মিলাৰ আশা ৰাখিছা, তেওঁলোকে নিজৰ ভিতৰ চৰাত চাহাবা সকলৰ ৰং জন্ম দিয়া। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, যদি জমাতৰ উন্নতি সদায় বজায় ৰাখিব বিচৰা তেন্তে খিলাফতৰ নিজাম চিৰস্থায়ী ৰাখিবলৈ চেষ্টা কৰিব লাগিব আৰু এই প্ৰচেষ্টা স্থায়ী হিচাপে চলাই থাকিব লাগিব তেতিয়াহে আগৰ দৰে উন্নতি লাভ হ'ব। আমি নিজৰ ইবাদতৰ মান উন্নত কৰিব লাগিব আৰু নমাজৰ নিয়মানুবৰ্ত্তিতা পালন কৰিব লাগিব। আনহাতে নিজৰ কথা আৰু কাৰ্য্য সকলো ধৰণৰ শিৰিকৰ পৰা পৱিত্ৰ হ'ব লাগিব। আনহাতে নিজৰ ধনমাল খোদা তায়লাৰ বাটত দান দিব লাগিব আৰু খিলাফতৰ সৈতে বিশ্বস্থতা আৰু আনুগত্যৰ মান সদায় ৰক্ষণাবেক্ষণ কৰিব লাগিব। তেতিয়াহে আমি খিলাফতৰ পুৰুস্কাৰ আৰু ইয়াৰ লগত থকা আল্লাহ্ তায়লাৰ বৰকতৰ কল্যাণ পাব পাৰিম। লগতে কিয়ামত পৰ্যন্ত এই খিলাফতৰ সৈতে সংলগ্ন থাকিব পাৰিম। উল্লেখ কৰে যে আল্লাহ্ তায়লা আমাক খিলাফত প্ৰদান কৰিছে আৰু ১১০ বছৰ ধৰি আমি আল্লাহৰ কৃপাৰ দৃশ্য আৰু মছিহ মাওউদ (আঃ) ৰ সৈতে দিয়া প্ৰতিশ্ৰুতিও চাই আছো। আল্লাহ তায়লা হজৰত মছিহ মাওউদ (আঃ) ৰ মান্যকাৰী সকলক আল্লাহৰ নিৰ্দেশ মানি খিলাফতৰ কল্যাণ লাভৰ তৌফিক দান কৰক। যোৱা সপ্তাহত মই পাকিস্থানৰ বাবে দোৱাৰ আবেদন জনাইছিলো। আজিও মই পাকিস্থানৰ বাবে বিশেষ দোৱাৰ ফালে মনযোগ দিয়াৰ আহ্বান কৰিছো। নিজৰ নফল, জিকৰে ইলাহি আগতকৈ বৃদ্ধি কৰক। আল্লাহ তায়লা ইয়াৰ বাবে আমাক তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 25 May 2018**

**(BOOK POST PRINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**